# প্ৰশ্নাৱলী :          জনতাৰ আহ্বান

## ১/ অতি চমু প্ৰশ্নাৱলী :      মূল্যাংক: ১

(ক) বোকাত জন্মা মানুহে কাৰ ফালে মুখ কৰি হাঁহে ?

(খ) 'অভ্যুত্থান' শব্দটোৰ অৰ্থ লিখা ।

(গ) 'প্ৰবুদ্ধ' শব্দটোৰ অৰ্থ লিখা ।

(ঘ) 'সংহতি' শব্দটোৰ অৰ্থ কি ?

(ঙ) মৰণোত্তৰভাৱে প্ৰকাশিত জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা পুথিখনৰ নাম কি ?

(চ) জ্যোতিপ্ৰসাদ আগৰৱালাই কোনখন নাটকৰ জৰিয়তে নাট্যকাৰ হিচাপে আত্মপ্ৰকাশ কৰে ?

## ২/ চমু প্ৰশ্নাৱলী :      মূল্যাংক: ২/৩

(ক) 'আজি পৃথিৱীৰ আকাশে আকাশে জনতাৰ আহ্বান'  ------- 'জনতাৰ আহ্বান' কবিতাটিত এই পংক্তি ফাঁকিৰে কি বুজাব বিচাৰিছে।

(খ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ দুখন নাটকৰ নাম লিখা ।

(গ) সুন্দৰৰ পূজা থাপনাত কবিয়ে কিহেৰে উপচাৰ যচাৰ কথা কৈছে ?

(ঘ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ প্ৰধান তিনিটা বৈশিষ্ট্য লিখা ।

(ঙ) জ্যোতিপ্ৰসাদৰ গীতসমূহত কোন দুটা সুৰ ধ্বনিত হৈছে ?

(চ) পৃথিৱীৰ আকাশে বতাহে কবিয়ে কিহৰ আহ্বান শুনিবলৈ পাইছে ?

(ছ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচিত তিনিখন নাটকৰ নাম লিখা ।

(জ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম কিমান চন আৰু ক'ত হৈছিল ?

(ঝ) 'ষোড়শোপচাৰ' বুলিলে কি কি উপচাৰৰ কথা বুজায় ?

## ৩/ ৰচনাধৰ্মী প্ৰশ্নাৱলী :        মূল্যাংক: ৪/৫

(ক) অভিনৱ এক জীৱনৰ ৰূপ
        পুষ্পিত কৰি তুলিবলৈ
    আজি মানৱৰ জন জীৱনৰ
        সংহত অভ্যুত্থান ।

(খ) আজি জনতাৰ পংকজ ৰূপ
    জাগে পদূমৰ দৰে
    বোকাত জনমা মানুহে আজি
    আলোকলৈ উঠি আহে
    বেলিমুৰা হৈ হাঁহে ।